**1 SEM FYUGP MINASM1**

**2024**

( December )

# ASSAMESE

( Minor )

Paper : MINASM1

**( অসমৰ ভাষা আৰু লিপি )**

Full Marks : 60 (80 for 2023 Batch)

*Time* : 2 hours (3 hours for 2023 Batch)

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ (যি কোনো ছয়টা) : ১×৬=৬

(ক) অসমীয়াৰ বাহিৰে অসমত প্ৰচলিত এটা আৰ্যমূলীয় ভাষাৰ নাম লিখাঁ।

(খ) *Assamese, its Formation and Development* গ্ৰন্থৰ লেখক কোন?

(গ) কাছাৰ জিলাত প্ৰচলিত কথ্য উপভাষাটোৰ নাম লিখাঁ।

(ঘ) কামৰূপী উপভাষাৰ 'আপা-আপী' শব্দ দুটা মান্য অসমীয়াত কি হ'ব?

(ঙ) দিহিং, দিচাং, দিবং আদি নদীবাচক শব্দবোৰ কোন ভাষাগোষ্ঠীৰ পৰা অহা?

(চ) অসমীয়াত উচ্চাৰিত অঘোষ পশ্চতালব্য উষ্ম ধ্বনিটো কি?

(ছ) লিপি শব্দটো সংস্কৃতৰ কোনটো শব্দৰ পৰা উৎপত্তি হৈছে?

(জ) টাই শাখাৰ ভাষাবোৰৰ নিজা লিপি আছেনে?

২। (ক) অসমত প্ৰচলিত তিব্বত-বৰ্মী শাখাৰ ভাষাসমূহৰ চমু পৰিচয় দাঙি ধৰাঁ। ১৩

*অথবা*

(খ) অসমত প্ৰচলিত থাই-চীনীয় বা শ্যাম-চীনীয় শাখাৰ ভাষাৰ পৰিচয়মূলক এটি টোকা লিখাঁ।

৩। (ক) অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য আলোচনা কৰাঁ। ১৪

*অথবা*

(খ) অসমীয়া ভাষাৰ এটা ভৌগোলিক উপভাষাৰ ধ্বনিগত আৰু ৰূপগত বৈশিষ্ট্য লিখাঁ। ৭+৭=১৪

৪। (ক) অসমীয়া-লিপিৰ বিকাশৰ ধাৰাটোক কেনেদৰে স্তৰ-বিভাজন কৰিব পাৰি, আলোচনা কৰাঁ। ১৩

*অথবা*

(খ) অসমীয়া লিপিৰ উদ্ভৱ সম্পৰ্কে প্ৰচলিত মত দুটা আলোচনা কৰাঁ।

৫। (ক) অসমীয়া ভাষাৰ ধ্বনিগত দিশত আৰ্যভিন্ন ভাষাৰ উপাদানৰ বিষয়ে আলোচনা কৰাঁ। ১৪

*অথবা*

(খ) 'আৰ্যভিন্ন ভাষাত অসমীয়া ভাষাৰ উপাদান' মানে কি বুজাঁ? বড়ো *অথবা* মিচিং ভাষাত অসমীয়া ভাষাৰ উপাদানৰ বিষয়ে লিখাঁ। ৪+১০=১৪

**( Additional 20 marks for 2023 Batch )**

৬। (ক) অসমত কেইটা প্ৰধান পৰিয়ালৰ ভাষাৰ প্ৰচলন আছে? অসমৰ অষ্ট্ৰিকমূলীয় ভাষাৰ বিষয়ে লিখাঁ। ৪+১০=১৪

*অথবা*

(খ) অসমীয়া ভাষাৰ শব্দভাণ্ডাৰত আৰ্যভিন্ন ভাষাৰ শব্দৰ বিষয়ে আলোচনা কৰাঁ। ১৪

৭। যি কোনো এটাৰ বিষয়ে চমু টোকা লিখাঁ : ৬

(ক) অসমৰ জনজাতীয় ভাষাৰ লিপি

(খ) অসমীয়া ভাষাত টাই-আহোম উপাদান

★★★